আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

SUNDAY, DECEMBER 31, 2023>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, ষষ্ঠ সংখ্যা Guwahati, Assam ।। মূল্যঃ এটকা

## এজন ৰাজমিস্ত্ৰী আৰু ক্ষুদ্ৰ ব্যৱসায়ীৰ নৱবৰ্ষৰ সপোন



■ অতুল কলিতা
ৰাজমিস্ত্ৰী

নতুন বছৰৰ নতুনত্ব আমাৰ বাবে একো নাই। তথাপিও পাৰ হৈ যোৱা বছৰটোৱে আমাৰ বাবে ননা কিবা অলপ নতুন বছৰটোৱে আনিব বুলি আমি আশা কৰো। অন্ততঃ নতুন বছৰটোত আমাৰ দৰে খাটি ■ শেষাংশ ২নং পৃষ্ঠাত



■ বিমল নাথ
ক্ষুদ্ৰ ব্যৱসায়ী

২০২৩ চনতো বজাৰৰ জুইৰ তাপ সহোতেই পাৰ হ'ল। আশা কৰিছো নতুন বছৰটো আমাৰ দৰে সাধাৰণ নাগৰিকৰ বাবে কিছু সকাহদায়ক হ'ব। ২০২৪ চনটোৱে সকলোৰে বাবে সুখ-শান্তি কঢ়িয়াই আনক, ■ শেষাংশ ২নং পৃষ্ঠাত

# স্বাগতম নৱবৰ্ষ! ২০২৪ত পুৰুষতকৈ আগবাঢ়িব মহিলা

■ ই-সংবাদ, ৩১ ডিচেম্বৰঃ স্বাগতম নৱবৰ্ষ। চাওতে চাওতে সময় সাগৰত অনন্ত কালৰ বাবে বিলীন হৈ গ'ল ২০২৩। সমুদ্ৰ তীৰত এতিয়া নতুন বছৰ ২০২৪ৰ ঢৌৰ পৰশ। বিদায়ী বছৰটো যেনেকৈয়ে পাৰ নহওক, নতুন বছৰটোৱে নতুনত্ব কঢ়িয়াই আনিব বুলিয়েই আশা কৰে সকলোৱে। এনে পৰিপ্ৰেক্ষিতত সমগ্ৰ বিশ্বৰ বাবেই বিভিন্ন দিশত বিশেষ হ'বলৈ গৈ আছে ২০২৪ বৰ্ষ। এই নতুন বছৰটোত মহাকাশত নিৰ্মাণ হ'ব পাৰে এটা চলচ্চিত্ৰ ষ্টুডিঅ'। একে সময়তে নতুন বছৰটোত বজাৰলৈ আহিব পাৰে এনে ঔষধ, যিয়ে দূৰ কৰিব পাৰে পুষ্টিহীনতা। আনহাতে নতুন বছৰটোত প্ৰায় সকলো দিশতে পুৰুষক পিছ পেলাই আগবাঢ়িব নাৰীশক্তি। গীৰ্জাৰ পৰা চন্দ্ৰলৈকে সকলোতে মহিলাই লাভ কৰিব বিশেষ সাফল্য। ৩১ ডিচেম্বৰ আৰু নৱবৰ্ষৰ এই বিশেষ ক্ষণত পঢ়ুৱৈসকললৈ আজি আগবঢ়োৱা হৈছে নতুন বছৰটোৱে কঢ়িয়াই আনিব পৰা ১০ টা বিশেষ সম্ভাৱনা।

■ শেষাংশ ২নং পৃষ্ঠাত

## নৱবৰ্ষত ছাত্ৰৰ আশা

## 'কষ্ট কৰিছো যেতিয়া এদিন সফল হ'ম'



■ যতীন বৰা
ছাত্ৰ, চিনাতলীগাঁও

মই অসমবাসীক নতুন বছৰৰ শুভেচ্ছা জনাইছো। নতুন বছৰটোত অসমখনৰ মানুহৰ অৱস্থা ভাল হোৱাটো কামনা কৰিছো। মই ভাবো অসমৰ মানুহে কাম কৰা আৰম্ভ কৰিব লাগে। খেতি কৰিব লাগে। ব্যৱসাত জড়িত হ'ব লাগে। নতুন বছৰত মই এইটোকে কও যে সকলো মানুহেই নিজৰ অৱস্থাৰ সলনি কৰাৰ বাবে ভাবিব লাগিব। পঢ়িব লাগে। খেতি আৰু ■ শেষাংশ ২নং পৃষ্ঠাত

## ৰাজ্যবাসীক নৱবৰ্ষৰ শুভেচ্ছা কৃষক দীপকৰ

# কৃষক ধনী হ'লেহে, জাতি ধনী হ'ব



■ দীপক বৰা
কৃষক, লাহোৱাল

নতুন বছৰৰ শুভকামনা জনাইছো। অনাগত দিনবোৰত সকলোৰে ভাল হওক। অপায়-অমংগল আতৰ হওক। শৰীৰ সুস্থ হওক। মনবোৰ পবিত্ৰ কৰি পেলাওক। আৰু পৃথিৱীখন সেউজীয়া কৰি পেলাওক। আজি মোৰ জন্ম দিন। আজিয়েই মই চাৰিটা আদিবাসী ল'ৰাক তুলি লৈছিলো। আমি জীয়াই থাকিবলৈ হ'লে আমাক গছ লাগিব। প্ৰকৃতিৰ সৈতে সমাঞ্জস্য ৰক্ষা কৰি আমি জীয়াই থাকিব লাগিব। চৰাই-চিৰিকিটিয়ে মানুহ নহ'লেও জীয়াই থাকিব পাৰিব। কিন্তু মানুহে জীৱ-জন্তু নহ'লে জীয়াই থাকিব নোৱাৰে। এইটো হৈছে প্ৰথম কথা। এই কথাটো আমি বুজি পোৱা ■ শেষাংশ ৩নং পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৪ত পুৰুষতকৈ আগবাঢ়িব মহিলা

১. গীৰ্জাত মহিলা পুৰোহিত থাকিব- কেথলিকে বৃহৎ সংখ্যক মহিলাক পুৰোহিত হ'বলৈ দিব নিবিচাৰে। কিন্তু ২০২৪ চনত 'কেনন ল'ৰ পৰিৱৰ্তন হ'ব পাৰে। কেথলিক আলোচনা কেৱল এই আইনখনৰ অধীনতহে চলি থাকে। নতুন বছৰত মন্ত্ৰণালয়ত মহিলাসকলৰ পদৰ ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত ল'ব পাৰে পোপ ফ্ৰান্সিছে। সমকামী বিবাহ সন্দৰ্ভতো পোপ ফ্ৰান্সিছে সিদ্ধান্ত ল'ব পাৰে। ২০২৪ চনৰ অক্টোবৰ মাহত ভেটিকান চিটিত অনুষ্ঠিত হ'ব ছিন'ড অন ছলিডাৰিটিৰ অন্তিম অধিবেশন। ইয়াৰ উদ্দেশ্য হৈছে কেথলিক নিয়মৰ সংস্কাৰ।

২. ঔষধে অন্ত পেলাব পুষ্টিহীনতাৰ- বিল গেটছ ফাউণ্ডেচনে এনে এবিধ ঔষধৰ ওপৰত কাম কৰি আছে, যাৰ ফলত পুষ্টিহীনতাৰ অন্ত পৰিব পাৰে। পুষ্টিহীনতা দূৰ কৰাৰ বাবে এবিধ ঔষধৰ ওপৰত ষ্টেজ-৩ ট্ৰায়েল চলি আছে। ২০২৪ চনত এই ঔষধ ব্যৱহাৰৰ অনুমতি লাভ কৰিছে বিশ্ব স্বাস্থ্য সংস্থাই। উল্লেখ্য যে, ভাৰতৰ ৪৩ লাখতকৈ অধিক শিশু পুষ্টিহীনতাৰ বলি হৈছে। ভাৰতেও এই ঔষধৰ দ্বাৰা যথেষ্ট লাভান্বিত হ'ব বুলি আশা কৰিব পাৰি।

৩. পুনৰ জোনবাইত মানুহৰ পদাৰ্পণ - ২০২৪ চনত নাছাই নিজৰ ৪ গৰাকী মহাকাশচাৰীক চন্দ্ৰলৈ প্ৰেৰণ কৰিব। ইয়াৰ পূৰ্বে ১৯৭২ চনত নাছাই এপ'ল'-১৭ মিছনত দুজন মহাকাশচাৰীক চন্দ্ৰলৈ প্ৰেৰণ কৰিছিল। এতিয়া ৫২ বছৰৰ পাছত পুনৰ এবাৰ চন্দ্ৰলৈ মানুহ প্ৰেৰণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। ২০২৪তে নাছাৰ মহাকাশচাৰীয়ে চন্দ্ৰৰ চৌদিশে ঘূৰি পৃথিৱীলৈ উভতি আহিব।

৪. ছুপাৰ কম্পিউটাৰ মুকলি- ইউৰোপৰ প্ৰথমটো এক্সা-স্কেল ছুপাৰ কম্পিউটাৰ ২০২৪ চনত মুকলি কৰা হ'ব। এই ছুপাৰ কম্পিউটাৰটো জাৰ্মানীৰ জুলিচ চহৰৰ নেশ্যনেল ৰিচাৰ্চ ইনষ্টিটিউটত স্থাপন কৰা হ'ব। এই ছুপাৰ কম্পিউটাৰবোৰে প্ৰতি ছেকেণ্ডত ১০ টু দ্য পাৱাৰ অৱ ১৮লৈকে গণনা কৰিব পাৰে।

৫. সৰ্ববৃহৎ মহাকাশযান- ক্লিপাৰ অভিযানৰ বাবে আজিলৈকে সৰ্ববৃহৎ মহাকাশযান নিৰ্মাণ কৰা হৈছে। ইন্ধন অবিহনে এই মহাকাশযানৰ ওজন হ'ব ৩২৪১ কিলোগ্ৰাম। এই মহাকাশযানখনৰ দৈৰ্ঘ্য বাস্কেটবল ক'ৰ্টৰ সমান অৰ্থাৎ ৩০ মিটাৰ হ'ব। বৃহস্পতি অভিযানৰ বাবে সাজু কৰা এই মহাকাশযানখনত ২৪টা ইঞ্জিন থাকিব।

৬. তৃতীয়বাৰৰ বাবে পেৰিছত অলিম্পিক - ২০২৪ চনত পেৰিছ দ্বিতীয়খন চহৰ হিচাপে পৰিগণিত হ'ব য'ত তৃতীয়বাৰৰ বাবে অলিম্পিক গেমছ অনুষ্ঠিত হ'ব। এতিয়ালৈকে লণ্ডন একমাত্ৰ চহৰ আছিল, য'ত তিনিবাৰকৈ অলিম্পিক গেমছ অনুষ্ঠিত হৈছে। পেৰিছত অনুষ্ঠিত হ'বলগীয়া অলিম্পিক গেমছত প্ৰায় ৭৬ হাজাৰ কোটি টকা ব্যয় হ'ব। ২০২০ চনত টকিঅ' অলিম্পিকৰ বাবে প্ৰায় ১.২ লাখ কোটি টকা ব্যয় কৰা হৈছিল।

৭. ১০০ বছৰৰ পাছত ফ্ৰান্সত অলিম্পিক – ২০২৪ চনত ফ্ৰান্সৰ ৰাজধানী পেৰিছত অলিম্পিক গেমছ অনুষ্ঠিত হ'ব। ১৯২৪ চনত পেৰিছত প্ৰথম অলিম্পিক গেমছৰ আয়োজন কৰা হৈছিল। পেৰিছ অলিম্পিকত ৩২খন ক্ৰীড়া অন্তৰ্ভুক্ত কৰা হৈছে, য'ত ৩০৬খন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰথমবাৰৰ বাবে পেৰিছ অলিম্পিকত দেখা যাব 'ব্ৰেক ডান্স' প্ৰতিযোগিতাও।

৮. মহাকাশত চলচ্চিত্ৰ ষ্টুডিঅ' – ২০২৪ চনত মহাকাশত চলচ্চিত্ৰ ষ্টুডিঅ' নিৰ্মাণ কৰা হ'ব। এই মহাকাশ ষ্টুডিঅ'ৰ নাম হ'ব SEE-1। ২০২৪ চনৰ ডিচেম্বৰ মাহত ষ্টুডিঅ'টো সাজু হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পিছত এই ষ্টুডিঅ'ত কাম আৰম্ভ হ'ব। এই ষ্টুডিঅ'ত মাটিৰ পৰা ২৫০ মিটাৰ উচ্চতাত ছবিৰ দৃশ্যগ্ৰহণ কৰা হ'ব। এই অভিজ্ঞতা কলা-কুশলীসকলৰ লগতে দৰ্শকৰ বাবেও অভূতপূৰ্ব হ'ব।

৯. ইউৰোপাত জীৱনৰ সন্ধান- অহা বছৰৰ পৰা আৰম্ভ হ'ব বৃহস্পতিৰ উপগ্ৰহ ইউৰোপাত জীৱন সন্ধানৰ অভিযান। অনুমান কৰা হৈছে যে ইউৰোপাত জীৱন সম্ভৱ, ইয়াত শক্তি আৰু পানীৰ প্ৰাকৃতিক উৎস পোৱা যায়। ২০২৪ চনৰ অক্টোবৰ মাহত নাছাই ক্লিপাৰ মহাকাশযান উৎক্ষেপণ কৰাৰ পৰিকল্পনা কৰিছে। অনুমান কৰা হৈছে যে ইউৰোাত এনে শক্তিৰ উৎস আছে যিবোৰ ৪ বিলিয়ন বছৰলৈকে শেষ নহ'ব।

১০. চন্দ্ৰত প্ৰথম মহিলা- অহা বছৰ মানুহে চন্দ্ৰৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিব। চন্দ্ৰলৈ যোৱা প্ৰথমজন কৃষ্ণাংগ ব্যক্তি হ'বলৈ গৈ আছে ভিক্টৰ গ্লভাৰ। চন্দ্ৰলৈ যোৱা প্ৰথমগৰাকী মহিলা হ'বলৈ গৈ আছে ক্ৰিষ্টিয়ানা কোচ। ক্ৰিষ্টিয়ানা কোচক মিছন বিশেষজ্ঞ হিচাপে গণ্য কৰা হয়। চন্দ্ৰলৈ যোৱা এই মহাকাশযানখন কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপণ কৰা হ'ব।

# ৰাজমিস্ত্ৰী আৰু

**অতুল ডেকাঃ** খোৱা মানুহখিনিৰ কথা চৰকাৰে চিন্তা কৰিব বুলি আশা কৰিছো। সাধাৰণ জনতাৰ দুখ-দুৰ্দশা নতুন বছৰটোৱে ৰজাঘৰীয়া সকলকো হৃদয়ংগম কৰাওক। তাকেই কামনা কৰি সকলোলৈ নৱবৰ্ষৰ ওলগ যাঁচিছো।

**বিমল নাথঃ** সকলোৱে নিজৰ লক্ষ্যৰ বাটেৰে আগবাঢ়িবলৈ সক্ষম হওঁক, তাকেই কামনা কৰিছো। সকলোলৈ শুভ নৱবৰ্ষ।

**যতীন বৰাঃ** ব্যৱসায়ো কৰিব লাগে৷ ব্যৱসায়ত টকা আছে৷ মই নিজেও সৰুৰে পৰা কষ্ট কৰো৷ আজি মই দ্বাদশ শ্ৰেণীত পঢ়ি আছো৷ ঘৰখন চলোৱাত মই সহায় কৰো৷ মই থলুৱা হাঁহ কাটি বিক্ৰী কৰাৰ এখন দোকান চলাই আছো৷ বাইদেউকো মই কলেজত পঢ়ুৱাই আছো৷ ক্ষুদ্ৰ ব্যৱসায়ৰ জৰিয়তে ঘৰখন পোহপাল দিয়াৰ সম্পূণ দায়িত্ব পালন কৰিছে।

**■ ৰমণীকান্ত শৰ্মা**
**অৱসৰপ্ৰাপ্ত শিক্ষক**



পুৰণিক বিদায় দি নতুনক আদৰণি জনাবই লাগিব। এয়াই প্ৰকৃতিৰ নিয়ম। সকলোবোৰেই পুৰণি হৈ পৰে আৰু তাৰ ঠাই লয় নতুনে। ২০২৩ বছৰটোও এদিন নতুন আমাৰ বাবে নতুন আছিল, আজি আমি তাকেই পুৰণি বুলি বিদায় জনাবলৈ ওলাইছো। নতুন বছৰটোত সকলোৰে বহু আশা-আকাংক্ষা থাকে, সকলোৱে নিজৰ সপোনবোৰ পূৰ হোৱাটো বিচাৰে। নতুন বছৰটোত চৌদিশে সুখ-শান্তি বিয়পি পৰক, অস্থিৰ সমাজখন সুস্থিৰ হৈ পৰক, তাকেই মই কামনা কৰিছো।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কৃষক ধনী হ'লেহে, জাতি ধনী হ'ব

উচিত৷ আমি যিমানে গাড়ী নিকিনো কিয়, যিমানে বিল্ডিং নবনাও কিয় প্ৰকৃতি অবিহনে আমি জীয়াই থাকিব নোৱাৰো৷ গোটেই পৃথিৱীখন চাওক৷ কিমান প্ৰাকৃতিক দুৰ্যোগ হৈছে৷ এই দুৰ্যোগ আমি কেতিয়াও প্ৰতিৰোধ কৰিব পৰা নাই৷ যেতিয়াই মানুহে প্ৰকৃতি ধ্বংস কৰিছে, তেতিয়াই প্ৰকৃতিয়ে ৰুদ্ৰ ৰূপ ধৰি ধ্বংস কৰিছে৷ সেয়েহে আমি ক'ব পাৰো, প্ৰকৃতিক আমি ৰোধ কৰিব নোৱাৰো৷ আমি প্ৰকৃতিৰ সৈতে সহবাস কৰিব লাগিব৷ চৰাই-চিৰিকিটি, মানুহে পৃথিৱীখনক ধৰি ৰাখিব লাগিব৷ তাৰ বাবে আমি কিছুমান কাম কৰিব লাগিব৷ প্ৰথম কথা আমি গছ কটা বন্ধ কৰিব লাগিব৷ তাতকৈ ডাঙৰ কথা হ'ল আমাৰ মাটিৰ উৰ্বৰতা কমি গৈছে৷ হয়তো আৰু ৪০ বছৰৰ ভিতৰত পৃথিৱীত এইটো কাৰণতে খাদ্যৰ সংকটে দেখা দিব৷ অত্যধিক ৰাসায়নিক সাৰ ব্যৱহাৰ কৰাৰ বাবে মাটিৰ উৰ্বৰতা শক্তি কমি গৈছে৷ মানুহে অনুভৱ কৰা নাই যে ৰসায়নিক সাৰ ব্যৱহাৰ কৰাৰ ফলত পৃথিৱীক বাসপযোগী বা শস্য উদপানৰ বাবে অনুপযোগী কৰি পেলাইছো সেই কথাটো বুজি পোৱা নাই৷ আজি চাওকচোন, গুৱাহাটীত মানুহে উশাহ ল'বলৈ অসুবিধা পায়৷ অক্সিজেন নোপোৱা হ'ল৷ সেইখিনি কাৰণেত আমাক গছ-গছনি লাগিবই৷ গছক ভাল পাব লাগিব৷ মনটো সেউজীয়া হ'ব লাগিব৷ আজি মোৰ ওপজা দিন৷ আজিৰ দিনটোতে মই চাৰিটা সন্তান তুলি লৈছিলো৷ মই নতুন বছৰত অসমীয়া মানুহক নতুন বাৰ্তা দিব খুজিছো যে মই ৰঙা চন্দন ৰুইছো৷ ৰঙা চন্দৰবোৰ ডাঙৰ হ'ব৷ মই সন্তানকেইটাক ফিক্স ডিপজিট দিব নোৱাৰিব পাৰো৷ কিন্তু ১২ বছৰ পাছত মোৰ সন্তানকেইটাই এজোপা ৰঙা চন্দন ১২ লাখ টকাকৈ বিক্ৰী কৰিব৷ আমি অসমৰ ৮০ শতাংশ মানুহ কৃষিজীৱি মানুহ৷ যিখন দেশত কৃষক ধনী নহ'ব, সেইখন দেশ কেতিয়াও প্ৰগতিশীল নহ'ব৷ কৃষক জাতিৰ মেৰুদণ্ড স্বৰূপ৷ আমি যদি ধৈৰ্যধৰি কৃষি কৰ্ম কৰো তেন্তে জাতিটো সফল হ'বই৷ প্ৰকৃতিক ভালপোৱা মানুহক প্ৰকৃতিয়ে কেতিয়াও অনিষ্ট নকৰে৷ মই নতুন বছৰত জাতিটোক কৃষিমুখী হোৱাৰ আহ্বান জনাইছো৷

# 'সেই জন্তুটোৰ নাম কি?'ৰ বাবে নীলিম কুমাৰ লৈ কাব্য সাহিত্য বঁটা

**ই-সংবাদ, ৩১ ডিচেম্বৰঃ** অসমীয়া মানুহে কবিতা, সাহিত্যৰ ৰুচিৰ পৰা আতৰি অহা বুলি দাবী কৰি অহা হৈছে৷ পাঠকক ৰুচি দিয়া, চিন্তাৰ উৎকৰ্ষ সাধন কৰিব পৰা সাহিত্যৰ সৃষ্টি কৰিব নোৱাৰাৰ ফলতে এতিয়াৰ প্ৰজন্মই কবিতা, কিতাপ নপঢ়ে বুলি কোৱা হয়৷ বাৰে ফচচু সাহিত্য সৃষ্টিৰ অভিযোগ সময়ে সময়ে উত্থাপন হৈ আহিছে৷ এতিয়াৰ কবিয়ে সমাজৰ হিত সাধন হ'ব পৰা কবিতা ৰচনা নকৰে বুলিও কোৱা হয়৷ শাসকৰ নাগৰিক বিৰোধী কৰ্ম-কাণ্ডক কলমৰ মাধ্যমেৰে সমালোচনা নকৰে বুলি কোৱা হয়৷ কিন্তু সকলো অভিযোগক নস্যাৎ কৰিছে অসমৰ এগৰাকী বিশিষ্ট কবিয়ে৷ শাসকৰ দুৰ্নীতিৰ বিৰুদ্ধে বহু বাঘা বাঘ লোকে এষাৰ মাত দিবলৈ সাহস নকৰাৰ সময়তে এটা কবিতাই সমগ্ৰ জোকাৰি গৈছিল৷ সেই কবিতাটো লিখিছিল বিশিষ্ট কবি নীলিম কুমাৰে৷



মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নীৰ ভূমি কেলেংকাৰীৰ অভিযোগ পোহৰলৈ অহাৰ পাছতে 'সেই জন্তুটোৰ নাম কি?' শীৰ্ষক কবিতা লিখি ভূমি কেলেংকাৰীৰ বিৰোধ কৰিছিল৷ সাম্প্ৰতিক সময়ৰ ৰাজনৈতিক পৰিৱেশক লৈ নীলিম কুমাৰে লিখা কবিতাই ৰাজ্য তোলপাৰ লগাইছিল। কবি নীলিম কুমাৰে কবিতাটো ফেচবুকত পোষ্ট কৰাৰ পাছতেই সামাজিক মাধ্যমত বিয়পি পৰিছিল৷ সামাজিক মাধ্যমত কবি নীলিম কুমাৰক আক্ৰমণো কৰা হৈছিল৷ চৰকাৰে ৰঙা চকু দেখুৱাইছিল৷ কিন্তু কলমৰ শক্তিক অনুধাৱন কৰি কবি কুমাৰে তেনে বহু কেইটা কবিতাৰ এখন কবিতা সংকলন প্ৰকাশ কৰে৷ নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰুদ্ধে অসম ৰাইজে ৰাজপথত প্ৰতিবাদ কৰি থকাৰ সময়ত কলমেৰে প্ৰতিবাদ কৰি গৈছিল নীলিম কুমাৰে৷ প্ৰতিবাদক সমৰ্থন কৰি চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে লিখি গৈছিল এটাৰ পাছত আন এটা কবিতা৷ আন্দোলনৰ সময়ৰে পৰা প্ৰকাশ হৈ কবিতাসমূহৰ ফচল 'সেই জন্তুটোৰ নাম কি' কবিতা সংকলনখন৷ 'সেই জন্তুটোৰ নাম কি?' কবিতা সংকলনৰ বাবেই কবি নীলিম কুমাৰক 'অসমীয়া কাব্য সাহিত্য বঁটা-২০২৩' সন্মান প্ৰদানৰ ঘোষণা কৰা হৈছে৷ ক্ষুদ্ৰ আলোচনী 'ৰাজপথৰ কবিতা' আৰু 'গ্ৰন্থবাৰ্তা প্ৰকাশনে' এই বঁটা প্ৰদান কৰিব৷ নাগৰিকত্ব সংশোধনী বিধেয়ক বিৰোধী আন্দোলনৰ সময়ত 'ৰাজপথৰ কবিতা' আৰম্ভ কৰা হৈছিল৷ ৰাজপথৰ কবিতাৰ পৰিচালন সম্পাদক দুলাল বৰা আৰু প্ৰকাশক গ্ৰন্থবাৰ্তা প্ৰকাশনৰ সম্পাদক কবিন পাটৰে এই বঁটা ঘোষণা কৰে৷ এই বঁটা ঘোষণা কৰি তেখেতসকলে কয় যে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লক্ষ্যধৰ চৌধুৰীয়ে সভাপতিৰ আসনৰ পৰা কৈছিল- 'সঁচা কথা সাহসেৰে সোৱাদ লগাকৈ লিখিব পৰাটোৱে আজিৰ যুগৰ শ্ৰেষ্ঠ সাহিত্য৷' এই কথাষাৰকে গুৰুত্ব প্ৰদান কৰি কবি নীলিম কুমাৰলৈ এই বঁটা আগবঢ়োৱা হৈছে বুলি জানিবলৈ দিছে বঁটা প্ৰদানকাৰী সংস্থা দুটাই।

# শিবিৰত থকা ৮০০ আলফা কেডাৰৰ মুখত বিৰিঙিছে হাঁহি

## চুক্তিয়ে নতুন বছৰত দিব মুক্তি!

"জাতিয়ে কি পাইছে, কি নাপাইছে তালৈ নোচোৱাকৈয়ে এতিয়া চুক্তিখনক লৈ সুখী হৈ পৰিছে আলফাৰ শ শ কেডাৰ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গ৷ যদিহে চুক্তিমৰ্মে কেডাৰসকলৰ বিৰুদ্ধে থকা গোচৰসমূহ প্ৰত্যাহাৰ কৰা হয় তেন্তে তেওঁলোকৰ বাবে চুক্তি হৈ পৰিব 'বৰদান' স্বৰূপ৷"

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩১ ডিচেম্বৰঃ** সুদীৰ্ঘ সময় জংঘলত৷ তাৰ পাছত শিবিৰ পাতি বসবাস৷ প্ৰায় ৪৪ বছৰীয়া সশস্ত্ৰ সংগ্ৰামৰ যৱনিকা পৰাত জংঘল আৰু শিবিৰৰ জীৱনৰ পৰা মুক্তি লাভ কৰিলো৷ ঘৰৰ লৰাই ঘৰলৈ উভতি যাব পৰাৰ পৰিৱেশ স্থাপন হ'ল৷ এই দিনটোৱেই হ'ল ২৯ ডিচেম্বৰ, ২০২৩। সেই দিনটোত দিল্লীত স্বাক্ষৰিত বুজাবুজিৰ চুক্তিৰ অন্তত নৱবৰ্ষত এতিয়া সলনি হৈ পৰিপৰ প্ৰায় ৮০০ কেডাৰৰ জীৱন৷ আলফাৰ চুক্তিক মানুহে একো নাপালো বুলি সমালোচনা কৰিলেও এই চুক্তি আলফাৰ তৃণমূলৰ কেডাৰৰ বাবে আশাৰ ৰেঙনি৷ শিবিৰ পাতি কদৰ্যময় জীৱন অতিবাহিত কৰি থকা এইসকল কেডাৰে জীৱন-যৌৱন ঘূণীয়া কৰিছো৷ এদিন স্বাধীন অসমৰ সপোন লৈ ঘৰৰ পৰা ওলাই গৈছিল হাজাৰ হাজাৰ তেজাল ডেকা৷ এৰি গৈছিল পিতৃ-মাতৃসহ ঘৰখনক৷ ঘৰখনৰ সৈতে বিচ্ছিন্ন হৈ আছিল দীৰ্ঘসময়৷ শীৰ্ষ নেতাসকলে বিয়া-বাৰু কৰোৱাৰ দৰে তেওঁলোকে সেয়াও কৰিব পৰা নাছিল৷ পৰিয়ালৰ লোকৰ ওপৰত চলিছিল সেনা-আৰক্ষীৰ বৰ্বৰ অত্যাচাৰ৷ মাহেকে-পষেকে সেনা-আৰক্ষী তেওঁলোকৰ ঘৰলৈ গৈ পৰিয়ালক অত্যাচাৰ কৰিছিল৷ বিদেশৰ মাটিত গৈৰিলা প্ৰশিক্ষণ লৈ শীৰ্ষ নেতৃত্বৰ আদেশ পালন কৰি বিভিন্ন কূটাঘাট সংঘটিত কৰিছিল৷ কোনোৱে শীৰ্ষ নেতৃত্বৰ সুৰক্ষাত নিয়োজিত হৈছিল৷ এনে কাৰ্যত নিয়োজিত হৈ থকাৰ ফলত বহু কেডাৰে অকালতে প্ৰাণ হেৰুৱাইছিল৷ বহুতৰ মৃতদেহ নিজ ঘৰলৈ আনি শেষকৃত্য কৰিব পৰা নগ'ল, জংঘলতে থাকি গ'ল মৃতদেহ৷ বহুতে আকৌ চিৰজীৱনৰ বাবে ঘূণীয়া হৈছিল৷ শীৰ্ষ নেতৃত্বৰ দৰে কেডাৰসকলে বিদেশত ৰাজ আতিথ্যত থকাৰ সুবিধা পোৱা নাছিল৷ ডেকাকালৰ সুন্দৰ সময়বোৰ বিদ্ৰোহ কৰাৰ নামত পাৰ কৰিছিল৷ গণ বিচ্ছিন্ন হৈ থকা বহু সংখ্যক কেডাৰে শীৰ্ষ নেতৃত্বৰ সৈতে মূলসুঁতিলৈ ওলাই আহে৷ আন একাংশ কেডাৰ আজিও পৰেশ বৰুৱাৰ সৈতে থাকি গ'ল৷ মূলসুঁতিলৈ অহা কেডাৰে বিগত ১২টা বছৰে শিবিৰত থাকিল৷ এই সময়ছোৱাত পূৰ্বে সংঘটিত কৰা কূটাঘাতৰ ফলত বিভিন্ন গোচৰৰ সন্মুখীন হ'ব লগীয়া হৈছে এইসকল কেডাৰে৷ গোচৰৰ চমনে জীৱন দুৰ্বিসহ কৰি তুলিছে এদিন স্বাধীন আৰু সোণৰ অসমৰ সপোন দেখা এইসকল কেডাৰৰ৷ মহানগৰত ৰাজ আতিথ্যত থকা শীৰ্ষ নেতাসকলৰ দৰে কেডাৰসকলে জীৱনো অতিবাহিত কৰিব পৰা নাই৷ শীৰ্ষ নেতৃত্বৰ সন্তানে দেশ-বিদেশত অধ্যয়ন কৰি থিতাপি লাগিল৷ কিন্তু আলফাৰ বহু কেডাৰৰ বয়স পাৰ হৈছে যদিও বিয়াখনকে পাতিব পৰা নাই৷ চৰকাৰে দিয়া কেইটামান টকাৰে শিবিৰত পয়ালগা জীৱন কটাইছো৷ শীৰ্ষ নেতৃত্বই কৰা এই চুক্তিয়ে কেডাৰসকলৰ জীৱন পৰিৱৰ্তন কৰিব বুলি আশা কৰা হৈছো৷ চুক্তিৰ অন্তত অনুষ্ঠিত সংবাদমেলতো শীৰ্ষ নেতৃত্বই মন্তব্য কৰিছিল যে তেওঁলোকে কেডাৰসকল আৰু কেডাৰসকলৰ পৰিয়ালবৰ্গৰ বিভিন্ন সমস্যাক লৈ প্ৰতিটো মুহূৰ্ততে চিন্তিত হৈ থাকিবলগীয়া হৈছিল। এনে পৰিপ্ৰেক্ষিতত চুক্তিত পুৰণি গোচৰ প্ৰত্যাহাৰৰ ফলত আদালতৰ 'তাৰিখ পে তাৰিখ'ৰ সমস্যাৰ পৰা একপ্ৰকাৰ মুক্ত হৈ পৰিব আলফাৰ শ শ সাধাৰণ কেডাৰ। উল্লেখ্য যে আত্মসমৰ্পণ কৰিলেও নিজৰ কষ্টসাধ্য জীৱনৰ যৱনিকা নপৰাত সাধাৰণ আলফাৰ সৈনিকসকলে এই জীৱনক লৈ অধৈৰ্য হৈ পৰিছিল৷ বহুতৰ বাবে মূলসুঁতিলৈ অহাটোৱে এক অভিশাপ হৈ পৰিছিল৷ সেয়ে সকলোৱে ইয়াৰ পৰা মুক্তি বিচাৰিছিল৷ অৱশেষত নৱবৰ্ষৰ প্ৰাকমুহূৰ্তত আলোচনাপন্থী আলফা আৰু চৰকাৰৰ মাজত স্বাক্ষৰিত হোৱা চুক্তিয়ে এতিয়া বাস্তৱিকতেই মুক্তি দিলে এসময়ত সংযুক্ত মুক্তি বাহিনীত জড়িত হৈ অসমৰ মুক্তি বিচাৰি নিজৰ জীৱন-যৌৱনক অনিশ্চয়তালৈ ঠেলি দিয়া শতাধিক তেজাল অসমীয়া ডেকা-গাভৰুক। চুক্তিত অসমীয়া জাতিয়ে কি পাইছে, কি নাপাইছে তালৈ নোচোৱাকৈয়ে এতিয়া চুক্তিখনক লৈ সুখী হৈ পৰিছে আলফাৰ শ শ কেডাৰ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গ৷ সকলোৱে এতিয়া আশা কৰিছে যে যদিহে চুক্তিমৰ্মে কেডাৰসকলৰ বিৰুদ্ধে থকা গোচৰসমূহ প্ৰত্যাহাৰ কৰা হয় আৰু সংস্থাপনৰ ব্যৱস্থা কৰা হয় তেন্তে তেওঁলোকৰ বাবে এই চুক্তি হৈ পৰিব 'বৰদান' স্বৰূপ৷ এনেকৈয়ে নতুন বছৰটোত ভৰি থোৱাৰ প্ৰাকক্ষণত চুক্তিখনক লৈ আশাবাদী হৈ পৰিছে শিবিৰত কষ্টকৰ দিন কটাই অহা আলোচনাপন্থী আলফাৰ কেডাৰসকলে।



## স্বেচ্ছাসেৱকক হত্যা, কাকতৰ সম্পাদকক গ্ৰেপ্তাৰ

# পুনৰ উত্তপ্ত মণিপুৰ, আৰক্ষীৰ ছাউনীলৈ লক্ষ্য কৰি গ্ৰেনেড নিক্ষেপ

**ইম্ফল, ৩১ ডিচেম্বৰঃ** পুনৰ উত্তপ্ত হৈ পৰিছে মণিপুৰৰ কেইবাটাও প্ৰান্ত। স্বেচ্ছাসেৱকক গুলীয়াই হত্যা কৰাৰ লগতে মণিপুৰ আৰক্ষীৰ বিশেষ কমাণ্ডোৰ আৱাস আৰু বেৰেকত ৰকেট চালিত গ্ৰেনেডেৰে আক্ৰমণ কৰা হৈছে। ইপিনে এখন বাতৰিৰ কাকতৰো সম্পাদকক গ্ৰেপ্তাৰ কৰা হৈছে। ইম্ফল টেংনুপাল জিলাৰ মোৰেত ৩০ ডিচেম্বৰৰ নিশা নিৰাপত্তাৰক্ষীক লক্ষ্য কৰি বিদ্ৰোহী গোট আক্ৰমণ কৰাত দুয়োপক্ষৰ মাজত লগা সংঘৰ্ষৰ পাছৰে পৰা পৰিবেশ উত্তপ্ত হৈছে। মোৰেৰ নামৰ ঠাইত নিশা প্ৰায় ১১:৪০ বজাত সন্দেহযুক্ত কুকি উগ্ৰপন্থীয়ে ৰকেট চালিত গ্ৰেনেড ব্যৱহাৰ কৰাৰ ফলত পৰিস্থিতিৰ অধিক অৱনতি ঘটে। ৰকেট নিক্ষেপৰ লগতে আৰক্ষীৰ ওপৰত নিৰন্তৰ গুলীচালনা কৰা হয়। গুলীবৰ্ষণ ওৰে নিশা অব্যাহত থাকে। আক্ৰমণত বেৰেকৰ যথেষ্ট ক্ষতি হয়। দুয়ো পক্ষৰ সংঘৰ্ষত মোৰেহৰ আৱাসীসকলে সুৰক্ষাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। আৰক্ষী, প্ৰশাসন তথা অৰ্ধসামৰিক বাহিনীয়ে অঞ্চলটোত নিৰাপত্তা বৃদ্ধি কৰিছে। স্থিৰতা বজাই ৰাখিবলৈ সতৰ্কতা জাৰি কৰি সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। জানিব পৰা মতে, উগ্ৰপন্থীয়ে বিশেষ আৰক্ষী কমাণ্ডোসকলৰ আৱাস আৰু বেৰেকক লক্ষ্য কৰি লৈছিল। বিস্ফোৰণৰ ফলত আঘাতপ্ৰাপ্ত হৈছে এজন বিষয়া আৰু চাৰিজন জোৱান। আহতসকলক তৎক্ষণাৎ চিকিৎসাৰ বাবে মোৰেৰ অসম ৰাইফলছৰ চিকিৎসালয়লৈ লৈ যোৱা হয়। ইপিনে, আৰক্ষীয়ে স্থানীয় দৈনিক 'কাংলেইপাকি মীৰা'ৰ সম্পাদক ৱাংখেমচা শ্যামজাইক উচটনিমূলক বাতৰি প্ৰকাশ কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে। শ্যামজাইৰ বিৰুদ্ধে হিংসাত লিপ্ত হ'বলৈ উচটনি দিয়া আৰু ধৰ্মীয় অনুভূতিত আঘাত হনাৰ অভিপ্ৰায় কৰাৰ অভিযোগ উত্থাপন হৈছে। ইম্ফল আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ জনোৱা মতে, ২৯ ডিচেম্বৰত 'কাংলেইপাকি মীৰা'ৰ সম্পাদক ৱাংখেমচা শ্যামজাইক গ্ৰেপ্তাৰ কৰা হয় আৰু ৩১ ডিচেম্বৰলৈকে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। আৰক্ষীয়ে কয় যে সম্পাদকজনক প্ৰাথমিক অনুসন্ধানৰ পাছত গ্ৰেপ্তাৰ কৰা হয়। বাতৰি কাকতখনে জাতিগত সংঘৰ্ষৰ মাজত উচটনিমূলক আৰু অপ্ৰমাণিত বাতৰি প্ৰকাশ কৰি আছে। ইয়াৰ পূৰ্বে ২ ডিচেম্বৰত মণিপুৰ বিজেপিৰ উপ-সভাপতি লাইশ্ৰাম মীনাৰান্তা সিঙে শ্যামজাইৰ বাতৰি কাকতৰ বিৰুদ্ধে ঘৃণা বিয়পোৱাৰ অভিযোগ উত্থাপন কৰি অভিযোগ দাখিল কৰিছিল। ইফালে, এক যুটীয়া বিবৃতিত অল মণিপুৰ জাৰ্নালিষ্টছ ইউনিয়ন আৰু এডিটৰ্ছ গিল্ড মণিপুৰে শ্যামজাইৰ গ্ৰেপ্তাৰক গৰিহণা দি তাৎক্ষণিকভাৱে মুক্তি কৰাৰ দাবী জনাইছে। শ্যামজাই খোদ অল মণিপুৰ জাৰ্নালিষ্টছ ইউনিয়নৰ প্ৰাক্তন সভাপতি। আনহাতে, ইম্ফল পশ্চিম জিলাৰ কাদাংবন্দ অঞ্চলত অচিনাক্ত বন্দুকধাৰীয়ে গাৰ্ড ডিউটিত থকা এজন স্বেচ্ছাসেৱকক গুলীয়াই হত্যা কৰে। গাঁৱৰ স্বেচ্ছাসেৱকৰ সৈতে পহৰা দি থকা ৩৫ বছৰীয়া জেমছ বণ্ড নিংগোমবাম নামৰ লোকজন শনিবাৰে পুৱতি নিশা গুলীবিদ্ধ হয়। পুৱালৈকে গুলীবৰ্ষণ অব্যাহত থকাত অত্যাধিক ৰক্তক্ষৰণৰ ফলত নিংগোমবামৰ মৃত্যু হয়। ৩ মে'ত সংঘৰ্ষ আৰম্ভ হোৱাৰ দিনটোত জাতিগত হিংসাত প্ৰভাৱিত অঞ্চলসমূহৰ ভিতৰৰ এটা আছিল কাদাংবন্দ। উল্লেখ্য যে, ৰাজ্যখনত জাতিগত হিংসাত ২০০ তকৈও অধিক লোক নিহত হৈছে আৰু হাজাৰ হাজাৰ লোক গৃহহাৰা হৈছে। যোৱা ৪ ডিচেম্বৰত সুৰক্ষা বাহিনীয়ে টেংনুপাল জিলাৰ এটা ভিতৰুৱা অংশত ১৩টা গুলীবিদ্ধ মৃতদেহ উদ্ধাৰ কৰিছিল।

## সমষ্টি পুনৰ নিৰ্ধাৰণত সন্তুষ্ট বুলি কৈ অসমবাসীক খুজিলে ক্ষমা

# চুক্তিত স্বাক্ষৰকাৰী আলফা নেতৃত্বই কলাক্ষেত্ৰত নিজেই নিজক জনালে সম্বৰ্ধনা!

**ই-সংবাদ, ৩১ ডিচেম্বৰঃ** নতুন বছৰৰ শেষদিনটোত দল-বলে গুৱাহাটী বিমান বন্দৰত উপস্থিত হ'ল চুক্তিত স্বাক্ষৰকাৰী আলফাৰ ১৬জনীয়া দলটো৷ বিমান বন্দৰত আলফাৰ একাংশ কেডাৰে দলটোক আদৰণি জনায়৷ দলটোৱে গুৱাহাটীত বিভিন্ন পক্ষৰ সৈতে আলোচনাত মিলিত হৈ দিনৰ প্ৰায় তিনি বজাত পাঞ্জাবাৰীৰ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত উপস্থিত হয়৷ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বহু লোকৰ উপস্থিতিত অনুষ্ঠিত সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানত শান্তি চুক্তিত স্বাক্ষৰ কৰি অহা আলফা নেতাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়৷ ৩০ ডিচেম্বৰত আলফাই নিজ পেডত প্ৰকাশ কৰা এক পত্ৰত কোৱা হৈছিল যে কেইবা দশকজোৰা এক দীঘলীয়া সংগ্ৰামৰ সময়তো আপুনি আগবঢ়োৱা সমৰ্থন-সহযোগিতা আৰু অবিহণাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ এখন সম্বৰ্ধনা সভাৰ আয়োজন কৰা হৈছে৷ এই সভাত অংশগ্ৰহণ কৰিবৰ বাবে এই পত্ৰযোগে আমি অনুৰোধ জনালো৷ এই সম্বৰ্ধনা অনুষ্ঠানৰ উদ্যোক্তা আলফাৰ আলোচনাপন্থী গোট নিজেই আছিল৷ অসমৰ কোনো জাতীয় সংগঠন যেনে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, সদৌ অসম ছাত্ৰ সন্থা, অসম সাহিত্য সভাৰ দৰে জাতীয় সংগঠনে সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা নাছিল৷ স'ততে এনে জাতীয় সমস্যাৰ সৈতে জড়িত কোনো বিষয়ত সফলতা লভিলে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাইবা সদৌ অসম ছাত্ৰ সন্থাই এনে অনুষ্ঠানৰ আয়োজন কৰে৷ অসম চুক্তি কৰা নেতৃত্বক সমগ্ৰ অসমৰ সেই সময়ৰ দল-সংগঠনে সম্বৰ্ধনা জ্ঞাপন কৰিছিল৷ আইএমডিটি আইন বাতিল কৰি অসমলৈ অহাৰ সময়েত সৰ্বানন্দ সোণোৱালক আছুৱে সম্বৰ্ধনা জ্ঞাপন কৰাই নহয় গুৱাহাটীৰ ৰাজপথত সমদল উলিয়াই আদৰণি জনাইছিল৷ কিন্তু আজি তেনে পৰিৱেশ দেখা নগ'ল৷ আলফাৰ নেতাসকলে কেইজনমান মানুহৰ সন্মুখত নিজেই নিজক সম্বৰ্ধনা দিলে বুলি ক'লেও বঢ়াই কোৱা নহ'ব৷ গুৱাহাটীত উপস্থিত হৈ এখন সংবাদমেলো সম্বোধন কৰে নেতাসকলে। সংবাদমেলত আলোচনাপন্থী আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱাই কেন্দ্ৰীয় চৰকাৰক প্ৰশংসা কৰে৷ কেন্দ্ৰীয় চৰকাৰে অসমৰ অখণ্ডতা সু-নিশ্চিত হোৱাৰ প্ৰতিশ্ৰুতি দিয়া বুলি কয়৷ অৰবিন্দ ৰাজখোৱাই কেইবাটাও কাৰণত অসমবাসীৰ ওচৰত ক্ষমা খুজি শ্বহীদ পৰিয়াল আৰু আৰু চিৰদিনৰ বাবে ঘূণীয়া হোৱাসকলক স্মৰণ কৰে৷ ধেমাজি বোমা বিস্ফোৰণৰ লগতে কেইবাটাও কুটাঘাতমূলক ঘটনাৰ বাবে ক্ষমা খোজে৷ আলফা নেতৃত্ব আসন সংৰক্ষণৰ দাবী উত্থাপন কৰা বুলি স্বীকাৰ কৰি কয় যে আমি বিধানসভাৰ ৮৮ শতাংশ আসন সংৰক্ষণৰ দাবী উত্থাপন কৰিছিলো৷ ৮৮ শতাংশ আসন সংৰক্ষণ হ'লে ১০২টা সমষ্টি সংৰক্ষণ হ'ব। সমষ্টি পুনৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়াৰ দ্বাৰা ৯৪ টা বিধানসভা সমষ্টি খিলঞ্জীয়াৰ হাতত থাকিব। বিধানসভা অসমৰ হাতত থাকিলেই সাংবিধানিক ৰক্ষা কৱচ হ'ব। আলফা নেতৃত্বই আৰু কয় যে কোনেৱে আইএলপি বিচাৰিছে, কোনাৱে ৩৭১, কোনোৱে ৩৭০ বিচাৰিছে৷ এইবোৰৰ বাবে অসম জনজাতীয় ৰাজ্য হ'ব লাগিব। এয়া সম্ভৱ নহয়। ৩৭০ কাশ্মীৰত দিয়া হৈছিল, কিন্তু স্বৰ্গগামী হ'ল। আন্তঃৰাজ্যিক পাৰপত্ৰ দাবীক নস্যাৎ কৰি আলফাই কয় ইনাৰ লাইন পাৰ্মিট অসমত সম্ভৱ নহয়। প্ৰতিদিনে ২৮৩ খন বিমান, ১৫০খন ৰেল চলাচল কৰে। এনে কি মূল্যবান সম্পদ আছে যে আইএলপি দি অসমলৈ আহিব। অসমক দক্ষিণ এছিয়াৰ মূলদ্বাৰ কৰাৰ চেষ্টা চলাই থকা হৈছে। যাৰ বাবে আইএলপি কাৰ্যকৰী কৰা সম্ভৱ নহয়। 'কা' সন্দৰ্ভতো মতামত ব্যক্ত কৰে আলফা নেতৃত্বই৷ 'কা' সন্দৰ্ভত আলফা নেতৃত্বই কয় যে আন্দোলন শেষ হ'ল। এই বিষয়ে কেন্দ্ৰৰ সৈতে কথা পতা হৈছে। এই বিষয়টো এতিয়া কেন্দ্ৰৰ হাতত নাই। উচ্চতম ন্যায়ালয়ত আছে। ন্যায়ালয়ে যি ৰায় দিয়ে তাকেই কৰিব চৰকাৰে৷ উল্লেখ্য যে, ২৯ ডিচেম্বৰত নতুন দিল্লীত আলফা-চৰকাৰৰ মাজত বুজাবুজি চুক্তি সম্পন্ন কৰা হয়। দিল্লীত চুক্তিত স্বাক্ষৰ কৰাৰ পাছত দেওবাৰে গুৱাহাটীত উপস্থিত হয় আলফাৰ দলটো৷ গুৱাহাটীত উপস্থিত হৈ সংবাদমেল সম্বোধন কৰাৰ পাছতে আলফাৰ নেতৃত্বই সম্বৰ্ধনা গ্ৰহণ কৰে৷



## নৱবৰ্ষত ৰাম ভজন গাবলৈ দেশবাসীক আহ্বান প্ৰধানমন্ত্ৰীৰ

# বছৰৰ অন্তিমটো 'মন কী বাত'ত মোদীৰ নিৰ্বাচনী ৰণডংকা

**"প্ৰধানমন্ত্ৰী মোদীৰ 'মন কী বাত' অনুষ্ঠানে ১০৮ সংখ্যক খণ্ড সম্পূৰ্ণ কৰে।দেশবাসীক নৱবৰ্ষৰ আগতীয়া শুভেচ্ছা জনোৱাৰ উপৰিও এই সংখ্যাৰ 'পবিত্ৰতা' সন্দৰ্ভতো প্ৰধানমন্ত্ৰীয়ে নিজৰ মতামত প্ৰকাশ কৰে।"**

**নতুন দিল্লী, ৩১ ডিচেম্বৰঃ** বছৰৰ অন্তিম দিনটোত মাহেকীয়া 'মন কী বাত' অনুষ্ঠানৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৪ৰ লোকসভা নিৰ্বাচনৰ ৰণডংকা বজোৱা পৰিলক্ষিত হ'ল। ২২ জানুৱাৰীত অযোধ্যাত প্ৰাণ প্ৰতিষ্ঠা হ'বলগীয়া ৰাম মন্দিৰক লৈ এক নিৰ্বাচনী পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়াস কৰা দেখা গ'ল প্ৰধানমন্ত্ৰী মোদীক। মোদীয়ে নিজৰ 'মন কী বাত' অনুষ্ঠানত মৰ্যাদা পুৰুষোত্তম শ্ৰীৰামৰ বাবে 'ৰাম ভজন' গাবলৈ আহ্বান জনায় সমগ্ৰ দেশবাসীক। লগতে সামাজিক মাধ্যমতো 'ৰাম ভজন' নাম প্ৰচাৰ কৰিবলৈ তেওঁ অনুৰোধ জনায় নেটিজেনসকলক। উল্লেখ্য যে, দেওবাৰে প্ৰধানমন্ত্ৰী মোদীৰ 'মন কী বাত' অনুষ্ঠানে ১০৮ সংখ্যক খণ্ড সম্পূৰ্ণ কৰে। প্ৰসংগক্ৰমে ১০৮ সংখ্যাটো হিন্দু ধৰ্মত পবিত্ৰ সংখ্যা বুলি গণ্য কৰা হয়। দেশবাসীক নৱবৰ্ষৰ আগতীয়া শুভেচ্ছা জনোৱাৰ উপৰিও এই সংখ্যাৰ 'পবিত্ৰতা' সন্দৰ্ভতো প্ৰধানমন্ত্ৰীয়ে নিজৰ মতামত প্ৰকাশ কৰে। তেওঁ কয় যে জপমালাৰ ১০৮টা গুটিৰ দৰে এই খণ্ডটোও তেওঁৰ বাবে অতি গুৰুত্বপূৰ্ণ। মোদীয়ে কয়, "১০৮ সংখ্যাটোৰ বহুত তাৎপৰ্য আছে। ইয়াৰ পবিত্ৰতা গভীৰ অধ্যয়নৰ বিষয়। জপমালা ১০৮টা গুটিৰে গঠিত, ১০৮ বাৰ জপ কৰা হয়। দেশৰ ১০৮ টা পবিত্ৰ স্থান, ১০৮ টা খোজ মন্দিৰ, ১০৮ টা ঘণ্টা। ১০৮ নম্বৰটো বহু বিশ্বাসৰ সৈতে জড়িত।" ইয়াৰ পিছত মোদীয়ে কয় যে এই খণ্ডটো তেওঁৰ বাবে গুৰুত্বপূৰ্ণ আৰু তেওঁ কয় যে, "আমি নতুন বছৰত নতুন শক্তি আৰু দৃঢ়তাৰে আগবাঢ়িব লাগিব।" তেওঁ লগতে কয় যে ভাৰত এতিয়া আত্মবিশ্বাসেৰে ভৰি পৰিছে। এখন উন্নত ভাৰতৰ মনোভাৱেৰে ভৰি পৰিছে দেশবাসী। ভাৰতত আত্মনিৰ্ভৰশীলতাৰ ভাৱ এটা গঢ় লৈ উঠিছে। ২০২৪ চনতো আমি একে মনোভাৱ আৰু গতি বজাই ৰাখিব লাগিব। তেওঁ ২০২৩ চনত দেশৰ খেলুৱৈ আৰু শিল্পীৰ সফলতাৰ কথাও উল্লেখ কৰে। তেওঁৰ ভাষাত, 'ভাৰতৰ সম্ভাৱনা অতি আকৰ্ষণীয় আৰু আমি ইয়াৰ পৰা প্ৰেৰণা লৈ আগবাঢ়ি যোৱা উচিত। ভাৰতত যি 'উদ্ভাৱন কেন্দ্ৰ'ৰ উত্থান ঘটিছে, তাৰ দ্বাৰা প্ৰমাণ হয় যে আমি থমকি ৰোৱা নাই।" এইদৰে মোদীয়ে নিৰ্বাচনী ৰণডংকাৰে বছৰটোৰ অন্তিমটো মন কী বাত সামৰে।

# লাহৰিঘাটত সন্দেহজনক দুই বিদেশী নাগৰিকক গ্ৰেপ্তাৰ

**ই-সংবাদ, মৰিগাঁওঃ** মৰিগাঁও জিলাৰ আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ খবৰ অনুসৰি চলোৱা অভিযানত কিশোৰসহ দুই সন্দেহজনক বিদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে৷ দীৰ্ঘদিন ধৰি মৰিগাঁও জিলাৰ লাহৰিঘাটৰ দক্ষিণ চেনিমাৰীত গোপনে বসবাস কৰি আছিল লোক দুজনে৷ একাংশ লোকে সন্দেহ কৰি গোপনে আৰক্ষীক খবৰ দিয়াত সন্দেহজনক বিদেশী নাগৰিকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে৷ প্ৰাপ্তবয়স্ক লোকজন ৭০ বছৰীয়া ইছলাম মণ্ডল বুলি জানিব পৰা গৈছে৷ ইছলাম মণ্ডলৰ ঘৰ বাংলাদেশৰ মৈমনসিংহৰ বুলি সন্দেহ কৰা হৈছে৷ লাহৰিঘাটৰ দক্ষিণ চেনিমাৰীত গ্ৰেপ্তাৰ কৰা দুই বাংলাদেশীয়ে ১৫ ডিচেম্বৰত ত্ৰিপুৰাৰ ভাৰত-বাংলাদেশ সীমান্তৰে অসমত প্ৰৱেশ কৰি লাহৰিঘাটত থিতাপি লৈছিল। বাংলাদেশী পাছপোৰ্ট আৰু ভিছা থকা ইছলাম মণ্ডলে নুৰ ইছলাম নামেৰে লাহোৰীঘাট সমষ্টিৰ নিৰ্বাচনী তালিকাত নাম পঞ্জীয়ন কৰিবলৈ সক্ষম হৈছিল৷ বিদেশী নাগৰিকে অসমত প্ৰৱেশ কৰিয়েই কেনেদৰে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিলে তাকে লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ আৰক্ষীয়ে এই ক্ষেত্ৰতো তদন্ত কৰিব৷ ধনৰ বিনিময়ত কোনো নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে বিদেশী নাগৰিকক ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাত সহায় কৰিব পাৰে বুলিও সন্দেহ কৰা হৈছে৷ বাংলাদেশী নাগৰিকে কেনেকৈ ভোটাৰ তালিকাত নাম পঞ্জীয়ন কৰিবলৈ সক্ষম হ'ল সেয়া আৰক্ষীয়ে সঠিক তদন্ত কৰিলে ওলাই পৰিব বুলি আশা কৰিছে স্থানীয় ৰাইজে।

# স্মাৰ্টফোন নথকা নৱবৰ্ষৰ সেই দিনবোৰ

“তাহানিৰ সেই দিনবোৰ মিঠা স্মৃতি হলা পৃথিৱীখন এখন গাঁও হ'লা ফেচবুক, ৱাটচএপ আমাক বহু ওচৰ চপাই আনিলে সঁচা কিন্তু তাহানিৰ কথাবোৰ স্মৃতি হৈ ৰলা”

## অঞ্জনজ্যোতি শৰ্মা

ইংৰাজী নৱবৰ্ষ আৰু গ্ৰীটিংচ কাৰ্ড যেন দুয়োৰে যেন আছিল এক এৰাব নোৱাৰা সম্পৰ্কা তাহানিতে নৱেম্বৰ মাহৰ পৰা দোকানত লাইন লাইন কৈ গ্ৰীটিংচ কাৰ্ড সমূহ ওলোমাই ৰখা হৈছিলা স্কুলীয়া ছাত্ৰ-ছাত্ৰী, ডেকা-গাভৰুৱে জাক পাতি আপোনজনক দিবলৈ ভালৰ ভাল লগা গ্ৰীটিংচ কাৰ্ড খন বিছাৰি চলাধ কৰিছিলা গাভৰুসকলে লুকুৱাই লৈ গৈছিল আপোন জনৰ বাবে কিনা গ্ৰীটিংচ কাৰ্ড খনা ঘৰলৈ গৈ পৰিয়ালৰ লোকৰ ভয়ত লুকুৱাই থব লগা হয়া

নৱবৰ্ষৰ এদিন পূৰ্বে আপোনজনক যেনেকৈয়ে নহওঁক গ্ৰীটিংচ কাৰ্ড খন দিবলৈ এটুকুৰা ঠাইত লগ কৰিবৰ বাবে যাব লগা হৈছিলা নতুবা সযতনে ৰখা গ্ৰীটিংচ কাৰ্ড খন আনৰ হাতত হলেও দি পঠিয়াব লগা হৈছিলা গ্ৰীটিংচ খন কিনাৰ পিছত তাত কি লিখিব তাক লৈয়ো গভীৰ উৎকন্ঠা হৈছিল ডেকা-গাভৰুৰা গ্ৰীটিংচ কাৰ্ড খন মানে অনাবিল আনন্দা

গ্ৰীটিংচ কাৰ্ড খন আছিল এক বান্ধোনা নতুন সংকল্পা পুৰণিক পাহৰি নতুনক আদৰাৰ চিন স্বৰূপা নৱবৰ্ষৰ শুভেচ্ছাৰে প্ৰেৰণ কৰা গ্ৰীটংচ কাৰ্ড খনত আছিল মিঠা অনুভৱা আপোন জনৰ গ্ৰীটিংচ খনৰ বাবে বহু গাভৰুৱে ৰৈ থাকে পদুলিমুখতা কিন্তু এতিয়া কোনো গাভৰুৱে জানো পদুলিমুখত ৰৈ আছেনো তেনে কথাবোৰ এতিয়া বিস্মৃতি হ'লা গ্ৰীটিংচ কাৰ্ড নাই বজাৰতা দোকানত ভিৰ নাই গ্ৰীটিংচ কাৰ্ডৰ বাবো ডেকা-গাভৰুৰ তাহানিৰ গ্ৰীটিংচ কাৰ্ডৰ বাবে নাই কোনো উৎসাহা তথ্য আৰু প্ৰযুক্তি বিদ্যাৰ যুগত সময় বোৰ সলনি হ'লা চছিয়েল মিডিয়াই সকলো সলনি কৰিলো আপোনজনক সকলো সময়তে অনলাইনত পোৱা হলো। ইচ্ছা গলেই শুভেচ্ছা দিব পাৰো। ইচ্ছা গলেই মনৰ কথা কব পৰা হলো।

তাহানিৰ সেই দিনবোৰ মিঠা স্মৃতি হলা পৃথিৱীখন এখন গাঁও হ'লা ফেচবুক, ৱাটচএপ আমাক বহু ওচৰ চপাই আনিলে সঁচা কিন্তু তাহানিৰ কথাবোৰ স্মৃতি হৈ ৰলা নৱবৰ্ষলৈ মাজত মাথো কেইটামান মুহূৰ্ত বাকী। ইতিমধ্যে ৰাজ্যত আৰম্ভ হৈছে নতুন বছৰক আদৰাৰ ব্যাপক প্ৰস্তুতি। ২০২৩বৰ্ষটোৰে বিদায় লোৱাৰ লগে লগে বহু আশা প্ৰত্যাশা লৈ আগমন ঘটিব ২০২৪ বৰ্ষৰ। ৰাজ্যৰ বিভিন্ন প্ৰান্তত নতুন বৰ্ষটোক আদৰাৰ বাবে আৰম্ভ হৈছে জাক জমকীয়া আয়োজন। সমানে আৰম্ভ হৈছে নৱবৰ্ষৰ শুভেচ্ছা জনোৱাৰ উৎসাহ উদ্দীপনা।

আজিৰ পৰা প্ৰায় এটা দশক পূৰ্বে নৱবৰ্ষত এজনে আনজনক শুভেচ্ছা জনোৱাৰ অন্যতম উপায় আছিল গ্ৰীটিংচ কাৰ্ডসমূহ। ডিচেম্বৰ মাহৰ মাজভাগৰ পৰাই প্ৰিয় তথা আপোনজনক নৱবৰ্ষৰ শুভেচ্ছা জনোৱাৰ উদ্দেশ্যে বজাৰত উভয়নদীহৈ পৰে এই গ্ৰীটিংচ কাৰ্ডসমূহ। গ্ৰাহকে এই কাৰ্ডসমূহ ক্ৰয় কৰি কৰি তাত নতুন বৰ্ষৰ শুভেচ্ছাৰ বাণী লিখি আপোনজনলৈ প্ৰেৰণ কৰে। ফলত উক্ত সময়ত এই গ্ৰীটিংচ কাৰ্ডসমূহৰ চাহিদা আছিল উৰ্দ্ধগামী। কিন্তু এতিয়া সময় সলনি হ'ল। নৱবৰ্ষৰ শুভেচ্ছা বিলাবলৈ প্ৰয়োজন নোহোৱা হ'ল গ্ৰীটিংচ কাৰ্ড কিম্বা চিঠি-পত্ৰৰ। ৰাজ্যৰ চহৰ-গাঁৱত নাই গ্ৰীটিংচ কাৰ্ড কিনাৰ বাবে গ্ৰাহকৰ ভিৰ।

কিয়নো এতিয়া আধুনিকতাৰ যুগ। এতিয়া এই গ্ৰীটিংচ কাৰ্ডৰ স্থান দখল কৰিলে মোবাইলটোৱে। মোবালইত সংলগ্ন ৱাটচএপ, ফেচবুক কিম্বা মেচেঞ্জাৰৰ দৰে ছ'চিয়েল মিডিয়াৰ জৰিয়তে আজিকালি আদান প্ৰদান কৰা হয় নৱবৰ্ষৰ শুভেচ্ছা বাণী। কন কন শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধ বনিতালৈ সকলোৱে নিজৰ মোবাইল ফোনটোৰে আপোনজনক জনাই নৱবৰ্ষৰ অলেখ শুভেচ্ছা। যেন আধুনিকতাৰ জাক জমকতাৰ মাজতে নিৰৱে কৰবাত হেৰাই গ'ল তাহানিৰ সেই গ্ৰীটিংচ কাৰ্ডখন। গ্ৰীটিংচ কাৰ্ডখন এতিয়া যেন হৈ পৰিল অতীতৰ সেই জীপাল স্মৃতি।

**■ সম্পাদকীয় ■**

**দেওবাৰ,**
**৩১ ডিচেম্বৰ, ২০২৩।।**
**নিশা ১০ বজা**

## শুভ নৱবৰ্ষ!

১৯৬৪ চনৰ ১৫ ছেপ্টেম্বৰৰ পৰা প্ৰকাশ পোৱা ইংৰাজী দৈনিক 'দ্য ছান'ৰ প্ৰথম সংখ্যাত কিয় আকৌ এখন নতুন কাকত প্ৰকাশ কৰা হৈছে সেয়া উল্লেখ কৰিছিল বিশেষ ধৰণে। প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছিল উক্ত বাতৰিটো। শিৰোনামটো আছিল অতি আকৰ্ষণীয়। 'গুড মৰ্ণি! য়েছ, ইটছ টাইম ফৰ এ নিউ নিউজপেপাৰ'। বাতৰিটোৰ আৰম্ভণিতে লিখিছিল যে গ্ৰেট ব্ৰিটেইনৰ জনতাই যুগৰ সৈতে খাপ খোৱা এখন নতুন বাতৰি কাকত প্ৰকাশ পোৱাৰ সময় আহি পৰিছে বুলি বিশ্বাস কৰে। সেয়ে এই বিশেষ দিনটোৰে পৰা 'ছান' (কাকতখন) অতি উজ্জ্বলতাৰে উদিত হৈছে। ব্ৰিটেইনৰ সচেতন জনতাৰ কথাই সুকীয়া। 'দ্য ছান' কাকতখন আজিও বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে সগৌৰৱে প্ৰকাশ পাই আহিছে। একেদৰে ব্ৰিটেইনত বহুকেইটা সংবাদ প্ৰতিষ্ঠানে কৰ্পৰেট আৰু চৰকাৰী বিজ্ঞাপন অবিহনেই সচেতন পঢ়ুৱৈৰ দান-বৰঙণিৰে মুক্ত আৰু স্বতন্ত্ৰ সাংবাদিকতাক নতুন মাত্ৰা প্ৰদান কৰিছে। কিন্তু আমাৰ ভাৰত তথা অসমত তেনে কথা কল্পনাই কৰিব নোৱাৰি। ৰাষ্ট্ৰীয় পৰ্যায়ত দুই-এটা সংবাদ প্ৰতিষ্ঠানে সচেতন পঢ়ুৱৈৰ পৰা দান-বৰঙণি লৈ চৰকাৰ আৰু কৰ্পৰেট বিজ্ঞাপন নোহোৱাকৈ জনতাৰ স্বাৰ্থত বাতৰি প্ৰকাশ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। বিপৰীতে অসত তেনে প্ৰয়াস চলালেও মানুহে ঠাট্টা-মস্কৰাহে কৰে। যোৱা ৮ বছৰত নিউজ নেক্সট ওৱানে তেনে ঠাট্টা-মস্কৰাৰ সন্মুখীন হৈয়ো একাংশ শুভকাংক্ষীৰ পৰা পোৱা সামান্য বৰঙণিৰে সোঁতত উটি নোযোৱাকৈ জীয়াই আছে। এই সময়ছোৱাত চৰকাৰক সমালোচনা কৰা কেবাটাও সংবাদ প্ৰতিষ্ঠান বিক্ৰী হৈ পৰিল। কোনোটো প্ৰতিষ্ঠানক যদি পোনপটীয়াকৈ ক্ৰয় কৰিছে কোনোটোৰ ক্ষেত্ৰত আকৌ সম্পাদক-মালিকক ঠিকা-ঠুকলি দি আওপকীয়াকৈ ক্ৰয় কৰিছে। বাকী ভয়-ভাবুকিবোৰ আছেই। আমি নিশ্চিত যে ব্ৰিটেইনৰ জনতাৰ দৰে অসমৰ জনতাই নতুন কাকতৰ বা ৰাইজৰ স্বাৰ্থত মাত মতা কাকত, নিউজ ৱেবছাইট, চেনেল এইবোৰ একোৱে নিবিচাৰে। অসমৰ অধিকাংশ ৰাইজে সোঁতত উটি গৈ ভাল পায়, মুখৰোচক আৰু ভাইৰেল খবৰহে চাবলৈ ভালপায়। তাৰ মাজতো আমি একাংশ সাংবাদিকে নিজৰ মন-মগজু ৰাজনৈতিক নেতাৰ ওচৰত বিক্ৰী কৰিব নোৱাৰো বাবেই তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈয়ো ৰাইজৰ স্বাৰ্থত সাংবাদিকতাৰ জৰিয়তে প্ৰকৃত সত্যবোৰ ক'বলৈ প্ৰয়াস চলাই গৈছো। এই প্ৰয়াসৰেই এক পদক্ষেপ ই-সংবাদ। আশা কৰিছো অসমৰ সকলোৱে নহ'লেও প্ৰতিদিনে ১০০ জন পঢ়ুৱৈয়ে আমাৰ কাকতখন নতুন বছৰটোত ক্লিক কৰি চাব। এই আশাৰে সকলোলৈ জনাইছো শুভ নৱবৰ্ষ।

# মাঁথো ৫০০ টকাৰ বাবেই হৈছিল কোকৰাঝাৰৰ হত্যাকাণ্ড

## হত্যাকাৰী পৃথিৰীৰাজ নাৰ্জাৰীসহ ২ নাবালকক গ্ৰেপ্তাৰ



**ই-সংবাদ, কোকৰাঝাৰ, ৩১ ডিচেম্বৰঃ** মাথো ৫০০ টকাৰ বাবেই হত্যাকাণ্ডৰ বলি হৈছিল কোকৰাঝাৰৰ গেৰেমছা নাৰ্জাৰী(১৯) নামৰ আইটিআইৰ ছাত্ৰগৰাকী। ধাৰে লোৱা পাঁচশ টকা ঘূৰাই দিম বুলি মাগুৰমাৰীৰ নিৰ্জন ঠাইলৈ মাতি নি গেৰেমছা নাৰ্জাৰীক হত্যা কৰিলে তেওঁৰেই বন্ধুৱে। বন্ধুক হত্যা কৰি নলাত পেলাই দি স্কুটী, মোবাইল লৈ উধাও হোৱা হত্যাকাৰী বন্ধু আকৌ পিছৰদিন পুনৰাই চাবলৈ আহিছিল বন্ধু গেৰেমছা নাৰ্জাৰীৰ সঁচাকৈ মৃত্যু হৈছেনে? এনে হৃদয়বিদাৰক নৃশংস ঘটনাৰ প্ৰায় সম্পূৰ্ণ তথ্য উদ্ঘাটন কৰি ইতিমধ্যে কোকৰাঝাৰ আৰক্ষীয়ে হত্যাকাণ্ডৰ মূল অভিযুক্ত বুলি চিহ্নিত কোকৰাঝাৰ সদৰ চহৰৰ বড়ো ভাতাৰমাৰীৰ পৃথিৰীৰাজ নাৰ্জাৰীক (১৯) কালি নিশাই গ্ৰেপ্তাৰ কৰিছে। তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিত হত্যাকাণ্ডৰ সতে জড়িত থকা আন দুগৰাকী নাবালকক আজি আবেলি আৰক্ষীয়ে আটক কৰিছে। আৰক্ষীৰ এক সূত্ৰই প্ৰকাশ কৰা অনুসৰি গেৰেমছা নাৰ্জাৰীৰ বন্ধু পৃথিৰীৰাজ নাৰ্জাৰীয়ে কিছুদিন পূৰ্বে গেৰেমছা নাৰ্জাৰীৰ পৰা ৫০০ টকা ধাৰে লৈছিল। ধাৰে লোৱা পাঁচশ টকা গেৰেমছাই ঘূৰাই বিচৰাত আজি দিম , কালি দিম বুলি পৃথিৰীৰাজ নাৰ্জাৰীয়ে ঘূৰাই আছিল। হত্যাকাণ্ড সংঘটিত হোৱাৰ দিনাখন পুনৰাই ধাৰে লোৱা টকা ঘূৰাই বিচৰাত পৃথিৰীৰাজ নাৰ্জাৰীয়ে তেওঁক অৰ্থাৎ গেৰেমছাক মাগুৰমাৰী লৈ মাতি পঠাইছিল। বন্ধু এজনক লৈ গেৰেমছাই মাগুৰমাৰীলৈ যাব ধৰোতে পুনৰাই পৃথিৰীৰাজে ফোন কৰি তেওঁ ক'ত আছে বুলি সোধে। গেৰেমছাই বন্ধু এজনক লৈ মাগুৰমাৰিলৈকে গৈ আছো বুলি কোৱাত পৃথিৰীৰাজে বন্ধুজনক লৈ আহিলে টকা নাপাবি বুলি কৈ দিয়ে। অগত্য ধাৰে লোৱা ৫০০ টকা ঘূৰাই পোৱাৰ আশাত গেৰেমছাই বন্ধুজনক নমাই দি মাগুৰমাৰিত উপস্থিত হয়। পাঁচশ টকা ঘূৰাই দিম বুলি নিৰ্জন ঠাইত মাতি নি ওলোটাই গেৰমছাৰ সতে কাজিয়াত লিপ্ত হয় পৃথিৰীৰাজ নাৰ্জাৰী। কাজিয়াৰ পৰিণতিত বন্ধুৰ পেটত দেগাৰ সোমাই দিয়ে বন্ধুৱে। প্ৰাণৰ মমতাত গেৰেমছা নাৰ্জাৰী দৌৰ মাৰে যদিও আন দুই বন্ধুৰ সহযোগত গেৰমছাক আটক কৰি মূৰটো শিলত থেকেচা মাৰি নলাত বগৰাই দি তাৰ পৰা মোবাইল, স্কুটি লৈ পলায়ন কৰে। পিছৰদিন পুৱা আকৌ ঘটনাস্থলী উপস্থিত হৈ গেৰেমছা নাৰ্জাৰীৰ মৃত্যু হ'লনে নাই সেয়া নিশ্চিত কৰে হত্যাকাৰীয়ে। ইপিনে উক্ত হত্যাকাণ্ড পোহৰলৈ অহাৰ পিছতে আৰক্ষীয়ে তড়িৎ গতিৰে তদন্ত আগবঢ়াই নিয়ে। মৃতদেহ উদ্ধাৰ হোৱাৰ ২৪ ঘণ্টাৰ ভিতৰতে আৰক্ষীয়ে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰে মূল অভিযুক্ত বুলি চিহ্নিত কোকৰাঝাৰ সদৰ চহৰৰ বড়ো ভাতাৰমাৰীৰ পৃথিৰীৰাজ নাৰ্জাৰী (১৯)ক কালি নিশাই আৰক্ষীয়ে আটক কৰে। আনহাতে আজি বিয়লি হত্যাকাণ্ডৰে জড়িত আটক কৰা আন দুগৰাকী নাবালক বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ইপিনে কোকৰাঝাৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পৃথ্বিৰাজ ৰাজখোৱাই সদৰি কৰা মতে মৃতদেহ উদ্ধাৰ হোৱাৰ পিছৰে পৰাই আৰক্ষীয়ে ঘটনাটো গুৰুত্বসহকাৰে লৈ তদন্ত আগবঢ়াই নিছিল। আৰক্ষীয়ে তদন্তত অগ্ৰগতি লাভ কৰে আৰু কালি নিশাই অভিযুক্ত হত্যাকাৰীক কৰায়ত্ব কৰাৰ বাবে অভিযান চলায়। আৰক্ষীয়ে গেৰেমছা নাৰ্জাৰীৰ হত্যাকাণ্ডৰ মূল অভিযুক্ত বড়ো ভাতাৰমাৰীৰ পৃথিৰীৰাজ নাৰ্জাৰীক কালি নিশাই গ্ৰেপ্তাৰ কৰে আৰু আন দুগৰাকী নাবালকক আজি বিয়লি আটক কৰে। হত্যাকাণ্ডৰ মূল অভিযুক্ত পৃথিৰীৰাজ নাৰ্জাৰী বুলি মন্তব্য কৰি অতিৰিক্ত আৰক্ষী অধীক্ষক পৃথ্বিৰাজ ৰাজখোৱাই কয় যে ব্যক্তিগত আখেজ, মোবাইল ফোন আৰু টকা -পইচাৰ লেনদেনক লৈ হত্যাকাণ্ডটো সংঘটিত হৈছিল। উল্লেখ্য যে ঘটনা সন্দৰ্ভত কোকৰাঝাৰ সদৰ থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা 129(B)/302/379 মৰ্মে এক গোচৰ (নং ৪২৯/২০২৩) ৰজু হৈছে। আৰক্ষীয়ে মূল অভিযুক্ত পৃথিৰীৰাজক আদালতত হাজিৰ কৰাই ৫দিনৰ আৰক্ষী জিম্মাত বিচাৰিছিল যদিও আদালতে চাৰিদিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰিছে। পাঁচশ টকাৰ বাবে হোৱা উক্ত হত্যাকাণ্ডৰ নৃশংসতাই কোকৰাঝাৰক জোঁকাৰি গৈছে।

## শেষ পৃষ্ঠা



■ নিয়ৰ সৰা গধূলি, মাঘ মাহৰ জাননী, মেজিৰ তলৰ ধেমালি, চোৰা আহি পালে ভোগালী। এই দৃশ্য গোৰেশ্বৰৰ।

# ধাৱানৰ দুখৰ সমভাগী খিলাড়ী অক্ষয়

**মুম্বাই, ৩১ ডিচেম্বৰঃ** পত্নী আয়েশা মুখাৰ্জীৰ সতে বিচ্ছেদ হোৱা দিন ধৰি পুত্ৰ জোৰাবৰৰ মুখ দেখা নাই ভাৰতীয় দলৰ এখময়ৰ প্ৰাৰম্ভিক বেটাৰ শিখৰ ধাৱানে। পুত্ৰৰ জন্মদিনত নিজৰ এক্স হেণ্ডেলত এই কথা প্ৰকাশ কৰিছিল বেটাৰজনে নিজে। পুত্ৰৰ জন্মদিন ২৬ ডিচেম্বৰত এক আবেগঘন পোষ্ট দিছিল ধাৱানে। অষ্ট্ৰেলিয়া নিবাসী আয়েশাৰ লগত বিবাহ পাশত আবদ্ধ হোৱাৰ পিছত দুয়ো কেইবা বছৰো একেলগে আছিল। কিন্তু বিগত বৰ্ষত দুয়োৰে মাজত বিচ্ছেদ হয়। তেতিয়াৰ পৰা ধাৱান পুত্ৰ জোৰাবৰ আছে আয়াশাৰ লগত। এতিয়া ধাৱানৰ পোষ্টত মন্তব্য কৰি তেওঁৰ দুখৰ সমভাগী হয় খিলাড়ী অক্ষয় কুমাৰ। অভিনেতাজনে ধাৱানৰ এই দুখৰ দিন সোনকালে অৱসান হোৱাৰ কামনা কৰে।

### দেশজুৰি গৰিহণা, ধিক্কাৰ, কঠোৰ শাস্তিৰ দাবী

# বিএইছইউৰ ছাত্ৰীক দলৱদ্ধ ধৰ্ষণ, বিজেপিৰ আইটি চেলৰ ৩ কৰ্মীক গ্ৰেপ্তাৰ

**বাৰণসী, ৩১ ডিচেম্বৰঃ** উত্তৰপ্ৰদেশৰ বাৰাণসীৰ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ ছাত্ৰীৰ সৈতে সংঘটিত দলবদ্ধ ধৰ্ষণ কাণ্ডৰ তিনি দুৰ্বৃত্তক গ্ৰেপ্তাৰৰ পাছতে দেশৰ ৰাজনীতি গৰম হৈ পৰিছে। তিনি দুৰ্বৃত্ত বিজেপিৰ আইটি চেলৰ সৈতে জড়িত বুলি বিৰোধী দলসমূহে অভিযোগ উত্থাপন কৰি বিজেপিক আক্ৰমণ আৰম্ভ কৰিছে। বুধবাৰে আৰক্ষীয়ে তিনি অভিযুক্ত কুনাল পাণ্ডে, আনন্দ ওৰফে অভিষেক চৌহান আৰু সাক্ষম পেটেলক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। বাৰাণসীৰ এখন আদালতে তিনি অভিযুক্তক ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। ঘটনা ১ নৱেম্বৰত বিএইচইউ চৌহদত সংঘটিত হৈছিল। অপৰাধত ব্যৱহৃত মটৰচাইকেলো উদ্ধাৰ কৰা হৈছে। জ্যেষ্ঠ আৰক্ষী বিষয়াই তিনিওজন অভিযুক্তই তেওঁলোকৰ অপৰাধ স্বীকাৰ কৰিছে বুলি দাবী কৰে। বাৰাণসীৰ ডিচিপি ৰামসেৱক গৌতমে কয় 'তিনিওজন অভিযুক্তক শনিবাৰে নিশা তেওঁলোকৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে। তিনিওজন অভিযুক্তই দোষ স্বীকাৰ কৰিছে। অভিযুক্তৰ পৰা মোবাইল ফোন জব্দ কৰা হৈছে। ঘটনাত ব্যৱহৃত মটৰচাইকেলখনো উদ্ধাৰ কৰা হৈছে। গ্ৰেপ্তাৰত বিলম্ব হোৱাত ডিচিপি গৌতমে কয় যে এই ঘটনা সন্দৰ্ভত আমাৰ তদন্ত আৰু অনুসন্ধান অভিযান চলি আছিল। অভিযুক্তক গ্ৰেপ্তাৰ কৰাত সময় দিয়াটো আমাৰ কৌশলৰ এটা অংশ আছিল। আমি নিশ্চিত কৰিবলৈ চেষ্টা কৰি আছো যে অপৰাধীৰ পুৰণি ৰেকৰ্ড আছে নেকি। যদি প্ৰয়োজন হয়, গেংষ্টাৰ আইনো লগোৱা হ'ব। বিৰোধীয়ে দাবী কৰিছে যে ধৰ্ষণৰ গোচৰত গ্ৰেপ্তাৰ কৰা তিনি অভিযুক্ত বিজেপিৰ আইটি চেলৰ সক্ৰিয় সদস্য। বিজেপিৰ ডাঙৰ নেতাৰ সৈতে তেওঁলোকৰ ফটো সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। দাবী অনুসৰি, কুনাল পাণ্ডে বাৰাণসী বিজেপিৰ তথ্য প্ৰযুক্তি কোষৰ আহ্বায়ক আছিল। সাক্ষম পেটেল বিজেপিৰ বাৰাণসী গোটৰ তথ্য প্ৰযুক্তি কোষৰ সহ-আহ্বায়ক আছিল। আনন্দ ওৰফে অভিষেক আইটি চেলৰ ৱৰ্কিং কমিটিৰ সদস্য আছিল। সাক্ষম পেটেলক লৈ এইটো দাবী কৰা হৈছে যে বিজেপিৰ কাশী প্ৰদেশৰ প্ৰাক্তন সভাপতি দিলীপ পেটেলৰ ব্যক্তিগত সচিব আছিল। এই দাবীসমূহক প্ৰমাণ কৰিবলৈ তিনি অভিযুক্তৰ সামাজিক মাধ্যমৰ প্ৰফাইল ব্যৱহাৰ কৰা হৈছে। এজন বিজেপি নেতাৰ পেডত নিযুক্তি দিয়া এখন পত্ৰও ভাইৰেল হৈছে। বিজেপিৰ একাংশ নেতায়ো দলটোৰ সৈতে তেওঁলোকৰ সম্পৰ্ক স্বীকাৰ কৰিছে। বিজেপিয়ে তিনিওজনক দলৰ পৰা বহিষ্কাৰ কৰিছে। অৱশ্যে, এই সন্দৰ্ভত বিজেপিয়ে কোনো আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই। অভিযুক্ত বিজেপিৰ তথ্য প্ৰযুক্তি কোষৰ সৈতে জড়িত নেকি বুলি সোধাত আৰক্ষী বিষয়াসকলে কয় যে ইয়াৰ ফলত তদন্তত কোনো পাৰ্থক্য নপৰিব। উল্লেখ্য যে, এজাহাৰ অনুসৰি ১ নৱেম্বৰত পুৱা প্ৰায় ১.৩০ বজাত আইআইটি বিএইচইউৰ বিটেকৰ ছাত্ৰীগৰাকীয়ে নিউ গাৰ্লছ হোষ্টেলৰ পৰা ফুৰিবলৈ ওলাই আহিছিল। ছাত্ৰীগৰাকীৰ বন্ধু আছিল গান্ধী স্মৃতি হোষ্টেল চাৰিআলিত। ছাত্ৰীগৰাকীয়ে বীৰ বাবা মন্দিৰৰ ওচৰত বন্ধুজনক লগ কৰে। বীৰ বাবা মন্দিৰৰ ওচৰত তিনি অভিযুক্তই দুয়োকে বলপূৰ্বক আৱদ্ধ কৰে। অভিযুক্তই ছাত্ৰীগৰাকীৰ বন্ধুক আক্ৰমণ কৰি দুয়োকে অশ্লীল কাৰ্য কৰিবলৈ বাধ্য কৰে। সেই সময়ত তিনি অভিযুক্তই সকলো দৃশ্য ৰেকৰ্ড কৰে। এই ঘটনাৰ কথা উল্লেখ কৰিলে ভিডিঅ'টো ভাইৰেল কৰাৰ ভাবুকি দিয়ে। এই ঘটনাৰ পাছতে বিএইছইউৰ আইআইটিৰ শিক্ষাৰ্থীসকলে অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত দহ দিন ধৰি আন্দোলন কৰিছিল। বিজেপিৰ জিলা সভাপতি আৰু এমএলচি হংসৰাজ বিশ্বকৰ্মাই কয় যে অভিযুক্তসকল আইটি চেলৰ সদস্য আছিল। অভিযুক্তসকলক দলৰ পৰা বহিষ্কাৰ কৰা হৈছে। মহানগৰ উত্তৰৰ বিধায়ক আৰু মন্ত্ৰী ৰবীন্দ্ৰ জয়ছোৱালেও সংবাদ মাধ্যমত কৈছিল যে অপৰাধীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কংগ্ৰেছে এই বিষয়ত বিজেপিক আক্ৰমণ কৰে। ঘটনাৰ কেইদিনমান পাছতে উত্তৰ প্ৰদেশৰ সভাপতি অজয় ৰায়ে অভিযোগ কৰিছিল যে বিজেপি আৰু বিদ্যাৰ্থী পৰিষদৰ লোকসকল ধৰ্ষণ কাণ্ডত জড়িত। এই ক্ষেত্ৰত লংকা আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হৈছিল। অভিযুক্তজনক গ্ৰেপ্তাৰৰ পাছতে অজয় ৰায়ে ছ'চিয়েল মিডিয়াত বিজেপি নেতাৰ সৈতে থকা অভিযুক্তৰ ফটো পোষ্ট কৰে। সমাজবাদী পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি অখিলেশ যাদৱে বিজেপিক সমালোচনা কৰে। দলবদ্ধ ধৰ্ষণৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অভিযুক্তৰ কঠোৰ শাস্তিৰ দাবী জনাই সমাজবাদী পাৰ্টিৰ এমএলচি আশুতোষ সিনহাই। সিনহাই কয় যে আজিকালি উত্তৰ প্ৰদেশ এখন অপৰাধৰ ৰাজ্য হৈ পৰিছে। ইয়াৰ বাবে বিজেপি নেতাসকল দায়বদ্ধ। বিজেপিৰ মহিলা সশক্তিকৰণ যেনে 'নাৰী-বন্দন', 'এণ্টি-ৰোমিঅ' আৰু 'বেটি পঢ়াও-বেটি বচাও'ৰ শ্ল'গানতে থাকি গ'ল। সমাজবাদী পাৰ্টিৰ মুখপাত্ৰ মনোজ ৰায় ধুপচান্দীয়ে কয় যে মহিলাক শ্ৰদ্ধা কৰাৰ ভাও লোৱা বিজেপিৰ প্ৰকৃত মুখখন পুনৰ প্ৰকাশ পাইছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান